# অসমৰ বৌদ্ধধৰ্মীয় জনগোষ্ঠীৰ বসন্ত উৎসৱ

ড° অম্বেশ্বৰ গগৈ
*সহযোগী অধ্যাপক, অসমীয়া বিভাগ*
*কটন বিশ্ববিদ্যালয়*
পৰিস্মিতা গগৈ
*গৱেষক ছাত্ৰী, অসমীয়া বিভাগ*
*কটন বিশ্ববিদ্যালয়*

সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ বিভিন্ন দেশৰ লগতে ভাৰতৰ উত্তৰ-পূব অঞ্চলত প্ৰভাৱ বিস্তাৰ কৰা গৌতম বুদ্ধৰ দ্বাৰা প্ৰচাৰিত এক ধৰ্ম বিশ্বাস হৈছে বৌদ্ধ ধৰ্ম। জীৱৰ আত্মাৰ অস্তিত্ব বিশ্বাস কৰা এই বৌদ্ধ ধৰ্মৰ প্ৰভাৱ ভাৰতৰ লগতে অসমৰ বহুকেইটা জনগোষ্ঠীৰ মাজত আছে। প্ৰায় ১৮শ শতিকাত অসমলৈ অহা টাই জনগোষ্ঠীৰ কেইটামান ঠালৰ মাজত প্ৰধানকৈ এই ধৰ্মৰ প্ৰসাৰ দেখিবলৈ পোৱা যায়। বৃহৎ টাই জনগোষ্ঠীৰ টাই আহোম সম্প্ৰদায়টোৰ বাহিৰে বাকী আটাইকেইটা সম্প্ৰদায় যেনে- টাই ফাকে, টাই খামটি, টাই খাময়াং, টাই টুৰুং আৰু টাই আইটনৰ দৈনন্দিন সমাজ জীৱন বৌদ্ধ ধৰ্মৰ ৰীতি-নীতিৰে পৰিচালিত হৈ আহিছে। ঠিক সেইদৰে বৰ্তমান অসমত যথেষ্ট কম পৰিমাণে বাস কৰা আঙুলিৰ মূৰত লেখিব পৰা চিংফৌ, দোৱনীয়া, মগ বড়ুৱা, চাক্‌মা আৰু টাংছাসকলৰ মাজৰ একাংশৰ জীৱন-ধাৰাতো বৌদ্ধধৰ্মই বিৰাজ কৰা দেখা যায়। এই আটাইবোৰ জনগোষ্ঠীয়ে বৌদ্ধ ধৰ্মৰ ৰীতি-নীতিৰে নিজ নিজ পৰম্পৰাগত উৎসৱ-অনুষ্ঠানসমূহ পালন কৰি আহিছে। এই উৎসৱ-অনুষ্ঠানসমূহৰ ভিতৰত কৃষিভিত্তিক বসন্তকালীন উৎসৱসমূহ অন্যতম। অসমত বসবাস কৰা এই বৌদ্ধধৰ্মীয় জনগোষ্ঠীসকলে অতীজৰে পৰা বৰ্তমানলৈকে কিদৰে ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰি প্ৰাচীন ৰীতি-নীতিৰে বসন্ত উৎসৱসমূহ পালন কৰি আহিছে তাৰ বিষয়ে এক প্ৰণালীবদ্ধ অধ্যয়ন কৰাৰ পৰিপ্ৰেক্ষতেই প্ৰস্তাৱিত আলোচনাটি যুগুত কৰা হৈছে।

**অসমত বৌদ্ধধৰ্ম**

গৌতম বুদ্ধৰ আদৰ্শেৰে ভাৰতত জন্মগ্ৰহণ কৰা বৌদ্ধধৰ্মই হিন্দু ধৰ্মৰ দৰেই একালত সমগ্ৰ ভাৰততে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল যদিও শংকৰাচাৰ্যই বুদ্ধদেৱক বিষ্ণুৰে এক অৱতাৰ বুলি স্বীকৃতি দিয়াত ক্ৰমে

বৌদ্ধ ধৰ্মৰ হানি হ'বলৈ ধৰে আৰু প্ৰাণ পাই উঠা একাংশ বৌদ্ধপীঠ বিষ্ণু মন্দিৰলৈ ৰূপান্তৰিত হয়। অৱশ্যে ভাৰতীয় বুৰঞ্জীত তেতিয়ালৈকে বৌদ্ধ স্থাপত্য-ভাস্কৰ্য তথা সাহিত্যই এক স্থায়ী চিহ্ন ফুটাই তুলিবলৈ সক্ষম হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষতেই বৌদ্ধধৰ্মই নিজৰ নীতি-আদৰ্শ সন্মুখত ৰাখি অতি কম সময়ৰ ভিতৰতে ভাৰতবাসীৰ মাজত শান্তিপূৰ্ণভাৱে সহাৱস্থান কৰে। বৌদ্ধসকলে দৈনন্দিন জীৱনত পালন কৰিবলগীয়া পঞ্চশীল নীতি মানি চলে য'ত প্ৰাণী হত্যা, চৌৰ্য বৃত্তি, ব্যভিচাৰ, মিছা কথা তথা মাদক দ্ৰব্য গ্ৰহণ আদি কাৰ্যসমূহ সম্পূৰ্ণৰূপে ত্যাগ কৰাৰ কথা উল্লেখ আছে। তদুপৰি তেওঁলোকে অষ্টশীল আৰু দশশীল মন্ত্ৰ গ্ৰহণ কৰি পাৰ্থিৱ দুখৰ মাজতো মহা সুখ আৰু মৃত্যুৰ মাজত নিৰ্বাণৰ অনুসন্ধান কৰে। সম্ভৱতঃ অশোকৰ ৰাজত্ব কালতেই দক্ষিণ-পূব এছিয়াত বিয়পি পৰা বৌদ্ধধৰ্মই ভাৰত, ব্ৰহ্মদেশ, থাইলেণ্ড, চীন, জাপান, তিব্বত আদি প্ৰত্যেক দেশত নিজা নিজা ধ্যান-ধাৰণাৰ ভেটিত বিকাশ লাভ কৰে। বৌদ্ধধৰ্মৰ সৰাতোকৈ ডাঙৰ গুণ হ'ল ই থলুৱা সংস্কৃতিক আয়ত্ত কৰি তাৰ নিজৰ পৰিৱেশত খাপ খাই যাবলৈ যত্ন কৰে। (গগৈ, পৃষ্ঠা-১৯১)

ভাৰতীয় সংস্কৃতিত অহিংসা, শান্তি, সহাৱস্থানৰ মহান আদৰ্শ তথা মানৱীয়তাৰ চিত্ৰণ ঘটাবলৈ সক্ষম হোৱা বৌদ্ধধৰ্মই নানা পন্থাৰ জন্ম দি অসমত মহাযান পন্থাৰ অন্তৰ্গত সহজযান পন্থাৰ প্ৰভাৱ বিস্তাৰ কৰিলে। অসমৰ কামৰূপ তথা প্ৰাগজ্যোতিষপুৰত সেই কালছোৱাত প্ৰৱল ৰূপত বৌদ্ধধৰ্মই বিস্তৃতি লাভ কৰাৰ কথা পোৱা যায়। ৰজা ভাস্কৰ বৰ্মাৰ দিনত অহা চীনা পৰিব্ৰাজক হিউৱেন চাং কামৰূপলৈ অহাৰ সময়ত হিন্দুধৰ্মৰ দেৱতা পূজাই প্ৰাধান্য লাভ কৰিছিল যদিও বৌদ্ধধৰ্মই গোপনীয়ভাৱে প্ৰসাৰ লাভ কৰিছিল। একালত কামৰূপ তথা কামাখ্যা তান্ত্ৰিক বৌদ্ধধৰ্মৰ শক্তিশালী কেন্দ্ৰ হৈ পৰিছিল। সম্ভৱতঃ তিব্বত, নেপাল, ভূটান আদি দেশলৈ কামৰূপৰ পৰাহে বৌদ্ধ সিদ্ধাচাৰ্যসকল গৈছিল। হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, কামাখ্যা, শুক্লেশ্বৰ, যোগীঘোপা আদিত এতিয়াও বৌদ্ধ সংস্কৃতিৰ অৱশেষ দেখা পোৱা যায়। (গগৈ, পৃষ্ঠা-১৯২)

কিন্তু পৰৱৰ্তী সময়ত পঞ্চদশ ষোড়শ শতিকাত অসমত শংকৰদেৱে গঢ় দিয়া নৱ-বৈষ্ণৱ আন্দোলনৰ ফলত বাকী থকা বৌদ্ধধৰ্মৰ প্ৰভাৱ লাহে লাহে নোহোৱা হৈ পৰে। অৱশ্যে ৰাতিখোৱা সম্প্ৰদায়ৰ মাজত প্ৰচলিত ৰীতি-নীতিত বৌদ্ধধৰ্মৰ কিছু প্ৰভাৱ পৰিলক্ষিত হোৱাৰ কথাও উল্লেখনীয়।

বৰ্তমান অসমত বাস কৰা হীনযান বা থেৰবাদী বৌদ্ধধৰ্মৰ অনুগামী লোকসকলক পোনপটীয়াভাৱে কামৰূপীয় বৌদ্ধধৰ্মৰ লগত জড়িত নহয় বুলি ক'ব পাৰি।

**অসমৰ বৌদ্ধধৰ্মীয় জনগোষ্ঠীৰ চমু পৰিচয়**

বৰ্তমান অসমত প্ৰভাৱ বিস্তাৰ কৰা বৌদ্ধধৰ্মৰ ভিতৰত মহাযান পন্থাৰ বিপৰীতে হীনযান বা থেৰবাদী বৌদ্ধপন্থাই বিকাশ লাভ কৰে। প্ৰায় ১৮ শ শতিকাৰ ওচৰে-পাজৰে দক্ষিণ-পূব এছিয়াৰ বিভিন্ন প্ৰান্তৰ পৰা অসমলৈ প্ৰৱ্ৰজন কৰা এই পন্থাৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকল হৈছে— টাই জনগোষ্ঠীৰ ফাকে, খামটি, খাময়াং, টুৰুং আৰু আইটন। তদুপৰি চিংফৌ, দোৱনীয়া, মগ বড়ুৱা, চাক্‌মা আৰু টাংছা আদি বৌদ্ধধৰ্মৰ লোকসকলো কম বেছি পৰিমাণে বৰ্তমান সময়ত অসমত বাস কৰা দেখা যায়।

অসমত বাস কৰি অবিচলিতভাৱে নিজ নিজ সংস্কৃতি ৰক্ষা কৰি অহা এই সম্প্ৰদায়সমূহক বিপন্ন বুলি গণ্য কৰা হয়। অতি কম জনসংখ্যাৰে তেওঁলোকে নানা সংঘাতৰ মাজেৰে নিজৰ স্বকীয়তা বৰ্তমানেও বজাই ৰাখিবলৈ সক্ষম হৈছে। অতি প্ৰাচীন থেৰবাদী পৰম্পৰা অনুসৰণ কৰা এই ক্ষুদ্ৰ সম্প্ৰদায়সমূহ অতি শান্তিপ্ৰিয় লোক। অসমৰ বিশেষকৈ উজনি অসমত বাস কৰা টাই জনগোষ্ঠীৰ আটাইকেইটা সম্প্ৰদায়ৰে নিজা নিজা গাঁৱত একোটাকৈ প্ৰাৰ্থনা গৃহ বা বৌদ্ধ বিহাৰ আছে। বিশেষকৈ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিভিন্ন স্থানত এই

বৌদ্ধবিহাৰবোৰ দেখিবলৈ পোৱা যায়। বৰ্তমান অসমৰ বৌদ্ধধৰ্মৰ আটাইতকৈ পুৰণি গাঁও হিচাপে 'নামফাকে' গাঁওখন চিনাক্ত হৈছে। উজনি অসমৰ বৌদ্ধসকলৰ ভিতৰত টাই খামটিসকল কামে-বনে সকলোতকৈ আগবঢ়া। সাংস্কৃতিক দিশতো এওঁলোক আন সকলোতকৈ উন্নত। পূৰ্বতে টেঙাপানী, শদিয়া আৰু লখিমপুৰ জিলাৰ নাৰায়ণপুৰত খামটিসকল বাস কৰিছিল যদিও বৰ্তমানে কেৱল লখিমপুৰ জিলাৰ নাৰায়ণপুৰ অঞ্চলতহে কেইখনমান খামটি গাঁও আছে।

অসমত বাস কৰা অন্যতম ক্ষুদ্ৰ জনগোষ্ঠী টাই ফাকেসকল বৰ্তমান ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ অন্তৰ্গত নাহৰকটীয়া, মাৰ্ঘেৰিটা, লিডু, জাগুন আদি অঞ্চলত বাস কৰে।

অসমলৈ প্ৰব্ৰজিত হোৱা টাই খাময়াংসকল বৰ্তমান অসমৰ যোৰহাটৰ তিতাবৰ, খৰিকটীয়া, শিৱসাগৰ, গোলাঘাট আৰু তিনিচুকীয়া জিলাত প্ৰধানকৈ বাস কৰি আছে। টাই খাময়াংসকলৰ সকলোতকৈ সমৃদ্ধ গাঁও হৈছে চলাপথাৰ। পূৰ্বতে পাটকাইৰ সিপাৰে থকা দ' পৰ্বতীয়া খামজাং ৰাজ্যত এওঁলোক বাস কৰিছিল বাবে এওঁলোক 'খামজাং' নামেৰেও পৰিচিত। তদুপৰি খাময়াংসকলক অসম বুৰঞ্জীত 'নৰা' নামেৰেও জনা যায়। (হাজৰিকা, পৃষ্ঠা-১৩৫)

টাই বৌদ্ধসকলৰ আন দুটা ঠাল হৈছে টাই টুৰুং আৰু টাই আইটন। অসমৰ যোৰহাট, গোলাঘাট, কাৰ্বি আংলং আৰু তিনিচুকীয়া জিলাৰ মুঠ আঠখন গাঁৱত এই টুৰুংসকলে বাস কৰি আহিছে। আনহাতে গোলাঘাট মহকুমাত কেইখনমান টাই আইটন গাঁও আছে। খামতিসকলৰ পাছত তেওঁলোক অসমলৈ আহে যেন বোধ হয়। সেয়ে খামটিসকলে আইটনীয়াসকলক তেওঁলোকৰ এটি খেল বুলি কয়। (ভট্টাচাৰ্য, পৃষ্ঠা-১৮৫)

উজনি অসমৰ মূলতঃ তিনিচুকীয়া আৰু শিৱসাগৰ জিলাত বসতি কৰা চিংফৌসকল পূৰ্বতে জড়োপাসক আছিল। তেওঁলোক একালত হিন্দু ধৰ্মৰ অনুগামী আছিল যদিও পৰৱৰ্তী সময়ত বৌদ্ধধৰ্ম গ্ৰহণ কৰে।

প্ৰায় দহ-বাৰখন গাঁৱত বসবাস কৰা দোৱনীয়াসকলেও চিংফৌসকলৰ দৰেই নতুনকৈ প্ৰায় তিনিকুৰি বছৰমানৰ আগতে বৌদ্ধধৰ্ম গ্ৰহণ কৰে বুলি মতবাদ আছে। প্ৰকৃততে 'দোৱনীয়া' নামে কোনো পৃথক জাতি বা সম্প্ৰদায় নাই। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত চিংফৌসকলে অসমৰ পৰা বন্দী-বেটা কৰি বিভিন্ন সম্প্ৰদায়ৰ বহুতো অসমীয়া মানুহ ধৰি নিছিল। মানৰ আক্ৰমণৰ পিছত কেপ্টেইন নিউফ্‌ভিল চাহাবে উদ্ধাৰ কৰি অনা সেই বন্দী-বেটাবিলাকৰ সতি-সন্ততিয়েই হৈছে দোৱনীয়া। চিংফৌৰ অধীনত থকা এইসকল লোকে নিজৰ ভাষা পাহৰি চিংফৌ দোৱানত কথা ক'বলৈ আৰম্ভ কৰে বাবেই অসমীয়া মানুহে তেওঁলোকক দোৱনীয়া বোলে। (ভট্টাচাৰ্য্য, পৃষ্ঠা- ৮৬)

ইয়াৰ উপৰি বৌদ্ধ ধৰ্মাৱলম্বী মগ বড়ুৱা সম্প্ৰদায়টো ডিব্ৰুগড় জিলাৰ চাবুৱা, দুলীয়াজান, নামৰূপ আৰু তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট তথা গোলাঘাট জিলাৰ বিভিন্ন ঠাইত বাস কৰি আহিছে। সম্পূৰ্ণ নিৰ্ভৰযোগ্য তথ্য পাবলৈ নাই যদিও এই সম্প্ৰদায়টো ভাৰতৰ বৈশালীৰ বৰ্জ্জি বা বৃজি বংশৰ এটা উপজাতি বুলি জনা যায়। (হাজৰিকা, পৃষ্ঠা-১৪৩)

বৌদ্ধধৰ্মীয় চাক্‌মা জনগোষ্ঠীৰ লোকসকল অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ আছে যদিও ঘাইকৈ কাৰ্বি আংলং জিলাৰ বংলাংফেৰ অঞ্চলত থূপ খাই আছে। কাছাৰ জিলাতো তেওঁলোকৰ বসতি দেখা পোৱা যায়। তেওঁলোকে অতি সাধাৰণ ধৰণৰ জীৱন-যাপন কৰি আহিছে।

তদুপৰি অসমৰ মাৰ্ঘেৰিটা মহকুমাৰ কেইখনমান গাঁৱত বাস কৰা প্ৰধানকৈ অৰুণাচল প্ৰদেশৰ বাসিন্দা টাংছাসকলো বৌদ্ধধৰ্মীয় লোক। এই জনগোষ্ঠীৰ মুঠ ছটা ফৈদৰ ভিতৰত 'টিখাক' আৰু 'য়ঙকুক' নামৰ ফৈদ দুটা মূলতঃ বৌদ্ধধৰ্মৰ বুলি জনা যায়।

গতিকে উপৰোক্ত আলোচনাৰ পৰা জানিব পাৰি যে অসমত বাস কৰা জাতি-জনজাতিসমূহ প্ৰধানকৈ হিন্দু ধৰ্মাৱলম্বী যদিও মুছলমান, জৈন, শিখ আদিৰ বাহিৰেও থেৰবাদী বৌদ্ধ ধৰ্মাৱলম্বী সম্প্ৰদায়সমূহেও এই ৰাজ্যত বাস কৰি আহিছে আৰু অসমীয়া কৃষ্টি-সংস্কৃতিৰ মাজত বৌদ্ধ সংস্কৃতিৰ পৰিচয় ঘটাইছে।

সাধাৰণতে ফাগুন, চ'ত আৰু ব'হাগ এই তিনিটা মাহৰ সময়ছোৱাৰ ভিতৰত অনুষ্ঠিত উৎসৱ-অনুষ্ঠানেই হৈছে বসন্ত উৎসৱ। এই উৎসৱ বিশেষ এটা ঋতুত উদ্‌যাপিত হোৱা বাবে ইয়াক ঋতুকালীন উৎসৱ বুলিও জনা যায়। অসমত বসবাস কৰা প্ৰত্যেকটো ধৰ্মৰ জনগোষ্ঠীৰ মাজতে এই বসন্ত উৎসৱ পালন কৰা দেখা যায়। প্ৰায় একে ৰীতি-নীতিৰ মাজেৰে পালন কৰা বসন্তকালীন উৎসৱসমূহক একেটা নামেৰেও জনা যায় নতুবা কেতিয়াবা কোনো জনগোষ্ঠীয়ে ইয়াক বেলেগ নামেৰেও নামকৰণ কৰে।

**অসমৰ বৌদ্ধধৰ্মীয় জনগোষ্ঠীৰ বসন্ত উৎসৱ**

অসমৰ মূল সংস্কৃতি কৃষিমুখী গ্ৰাম্য সংস্কৃতি। অষ্ট্ৰিকসকলৰ হাতত গঢ় লৈ উঠা এই ভেটিটোত পাছলৈ মঙ্গোলীয়সকলৰো যথেষ্ট প্ৰভাৱ পৰা দেখা যায়। অসমৰ পৰ্বত ভৈয়াম উভয়তে কৃষি বা খেতিৰ পয়োভৰ আজিও দেখা যায়। ধৰাৰৈ বসন্তৰ আগমন ঘটাৰ লগে লগে অসমৰ জাতি-জনজাতিৰ গা সাতখন-আঠখন হৈ পৰে আৰু বিভিন্ন উৎসৱ-পাৰ্বন পালন কৰি ৰং-ৰহইচ কৰে।

এই উৎসৱ-পাৰ্বনৰ মূল উৎস হৈছে আনন্দ। প্ৰকৃতিৰ পৰা পোৱা আনন্দ, যিয়ে কৃষিজীৱীসকলৰ বাবে অনুপ্ৰেৰণাৰ জোৱাৰ আনে। প্ৰকৃতিৰ চিৰকলীয়া ৰীতিৰে নামি অহা বসন্তৰ পৰশ লগা নতুন বছৰটোত সকলোৱে শস্যৰ উৎপাদন কামনা কৰি বিভিন্ন ক্ৰিয়াকলাপত অংশগ্ৰহণ কৰে। উৰ্বৰা বিশ্বাসৰ ভেটিত জন্ম লোৱা এই বসন্তকালীন উৎসৱ মিশ্ৰিত সংস্কৃতিৰ উৎসৱ। এইক্ষেত্ৰত অসমত বাস কৰা বৌদ্ধধৰ্মীয় জনগোষ্ঠীসমূহো পিচপৰি নাথাকে। সমগ্ৰ অসমীয়াবাসী ৰাইজৰ দৰেই এই ধৰ্মৰ জনগোষ্ঠীসমূহেও বিষুৰ সংক্ৰান্তিৰ দিনাই বসন্তকালীন উৎসৱৰ পাতনি মেলে।

বৌদ্ধধৰ্মৰ এটা প্ৰধান পবিত্ৰ উৎসৱ হ'ল 'পয়চাংকেন'। চ'ত মাহৰ সংক্ৰান্তিৰ দিনৰ পৰাই পালন কৰা এই 'পয়চাংকেন' উৎসৱটো তিনিদিনীয়া। টাই ভাষাত 'চাংকেন' শব্দৰ অৰ্থ হৈছে সংক্ৰান্তি পালন কৰা উৎসৱ। (বৰা, পৃষ্ঠা-২৮৯) তদুপৰি টাই বৌদ্ধ জনগোষ্ঠীৰ লোকসকলে 'পয়চাংকেন' উৎসৱক 'বুদ্ধ মূৰ্তি ধুওৱা' উৎসৱ বুলিও কয়।

অসমত বাস কৰা বৌদ্ধধৰ্মাৱলম্বী জনগোষ্ঠীৰ প্ৰায় ৮ টা ঠালে এই 'পয়চাংকেন' উৎসৱ পালন কৰে। এই জনগোষ্ঠীসমূহ হৈছে টাই বৌদ্ধ (ফাকে, খাময়াং, টুৰুং, আইটন আৰু খামটি), চিংফৌ, দোৱনীয়া, মগ বড়ুৱা আৰু টাংছা। ইয়াৰ বাহিৰে অসমৰ আন বৌদ্ধ ধৰ্মাৱলম্বী জনগোষ্ঠী চাক্‌মা আৰু টাংছাসকলে বসন্তকালীন উৎসৱ হিচাপে ক্ৰমে বিঝু আৰু পয়চাংকেন উৎসৱ পালন কৰে।

অসমত কম-বেছি পৰিমাণে বাস কৰা বৌদ্ধ ধৰ্মৰ এই জনগোষ্ঠীসমূহৰ বসন্ত উৎসৱ আৰু ইয়াত এই উৎসৱ পালন কৰা ৰীতি-নীতি, লোকাচাৰ-লোকবিশ্বাস সমূহৰ বিষয়ে তলত থূলমূল আভাস দিয়াৰ চেষ্টা কৰা হ'ল।

**টাই বৌদ্ধসকলৰ বসন্ত উৎসৱ**

উত্তৰ-পূব ভাৰতৰ অসম ৰাজ্যৰ এক বিস্তৃত ভূ-খণ্ডত বাস কৰা টাই জনগোষ্ঠীৰ আদি বাসস্থান হৈছে চীন দেশ। চীনদেশত বাস কৰালৈকে তেওঁবিলাক লাওৎছেই প্ৰচাৰ কৰা তাও ধৰ্মৰ অনুগামী আছিল। (গগৈ, পৃষ্ঠা-৭)

পৰৱৰ্তী সময়ত লাওচ, ভিয়েটনাম, থাইলেণ্ড আৰু ব্ৰহ্মদেশলৈ প্ৰব্ৰজিত হৈ তেওঁলোকে হীনযান বা থেৰবাদী বৌদ্ধধৰ্মত দীক্ষিত হয়।

অসমত থকা টাই বৌদ্ধ— ফাকে, খাময়াং, টুৰুং, আইটন আৰু খামটিসকলে একেটা পদ্ধতিৰে বুদ্ধদেৱক পূজা কৰি 'পয়চাংকেন' পালন কৰে যদিও

লোকাচাৰ-লোকবিশ্বাসৰ ক্ষেত্ৰত সামান্য তাৰতম্য ঘটা দেখা যায়।

অসমত বাস কৰা টাই বৌদ্ধধৰ্মীয় কেউটা শাখাই বৌদ্ধধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে বসন্তকালীন উৎসৱ 'পয়চাংকেন' পালন কৰি নৱবৰ্ষক আদৰণি জনায়। সম্পূৰ্ণ বৌদ্ধৰীতিৰে পালন কৰা এই 'পয়চাংকেন' উৎসৱ সাধাৰণতে এপ্ৰিল মাহৰ ১৩ তাৰিখৰ পৰা ১৫ তাৰিখলৈকে পালন কৰা হয়। কিন্তু কেতিয়াবা বৌদ্ধ পঞ্জিকা 'ছাক্ৰেট'ৰ মতে এটা দিন পিছুৱাই যোৱাৰো উল্লেখ পোৱা যায়। অৱশ্যে প্ৰায় এমাহৰ আগৰ পৰা প্ৰস্তুতিপৰ্ব আৰম্ভ হোৱা এই উৎসৱত সেই সময়ৰ পৰাই টাইপুথি 'লিকচাংকেন'ৰ স্তুতিপৰ্ব আৰম্ভ হয়।

চ'ত- ব'হাগৰ সংক্ৰান্তি অৰ্থাৎ নৌন্ হাত 'পয়চাংকেন' উদ্‌যাপন কৰিবৰ কাৰণে বৌদ্ধ বিহাৰৰ প্ৰাংগনত আছুতীয়াকৈ এক অস্থায়ী পঁজা সাজি লোৱা হয়। ইয়াক তেওঁলোকে 'ক্যংফ্ৰা' বুলি কয়। বৌদ্ধ পঞ্জিকা 'চাক্ৰেট'ত উল্লিখিত নিৰ্দিষ্ট দিন, সময় আৰু দিশসমূহৰ মতে বিহাৰৰ বেদীৰ পৰা ভিক্ষু বা শ্ৰমণে 'ফ্ৰা' অৰ্থাৎ ভগৱানবুদ্ধৰ মূৰ্তিবোৰ কিছু সময়ৰ বাবে মাটিত সজোৱা এখন বহল আসনত ৰাখে আৰু সুগন্ধি দ্ৰব্য মিহলি পানীৰে স্নান কৰোৱাই পূজা কৰে। ইয়াক 'ফ্ৰা লুং' বুলি কোৱা হয়। (বৰা, পৃষ্ঠা-৪৪৯) তাত যথাবিহিত ধৰ্মীয় কাম-কাজ সম্পাদন কৰি ভিক্ষুসকলে শাৰী শাৰীকৈ বুদ্ধৰ মূৰ্তিসমূহ কঢ়িয়াই আনি 'ক্যংফ্ৰা' গৃহত প্ৰতিষ্ঠা কৰে। এই কাৰ্য সম্পাদন কৰোঁতে গাঁৱৰ ডেকা-গাভৰু সমন্বিতে সমূহ ৰাইজে নানাবিধ পৰম্পৰাগত বাদ্যযন্ত্ৰ কংলোঙ (বৰঢোল), ছেং (তাল), যামমং (বৰকাঁহ) আৰু কেছে (ঘণ্টা) আদি বজাই শোভাযাত্ৰা কৰে আৰু গাভৰুসকলে গগনা বজাই গীত গায়। তেওঁলোকে মূৰ্তিলৈ আখৈ, ফুল, পইচা আদি নিবেদন কৰে। মূৰ্তিসমূহ 'ক্যংফ্ৰা' গৃহত প্ৰতিষ্ঠা কৰাৰ পিছত 'ছনফ্ৰা' অৰ্থাৎ স্নান কৰোৱা কাৰ্য আৰম্ভ হয়। কাঁহ বা আন পাত্ৰত চন্দন তথা সুগন্ধি দ্ৰব্য মিহলি পানী তিনিবাৰকৈ ভৰ্তি কৰি 'ক্যংফ্ৰা'ৰ কাষত থকা 'হাংহৌ' নামৰ কাঠৰ নাওসদৃশ এখন নেওৰাত ঢালি দিয়া হয়। এই পানীবোৰ বাগৰি গৈ তাতে সংযুক্ত কৰি থোৱা এটা চেৰেকীসদৃশ বাঁহেৰে নিৰ্মিত যন্ত্ৰ 'কোঙপান'ত পৰাৰ লগে লগে তীব্ৰবেগত যন্ত্ৰটো ঘূৰিবলৈ ধৰে আৰু তাত থকা সৰু সৰু বিন্ধাইদি পানীবোৰ ছিটিকি মূৰ্তিবোৰত পৰেগৈ। নেওৰাখনত পানী ঢালি থকাৰ সময়ছোৱাত গাঁওবাসীয়ে একান্তমনে বৌদ্ধস্তুতি বা চাংকেনৰ গীত গাই মনোবাঞ্ছা পূৰণ হোৱাৰ কামনা কৰে।

গাঁৱৰ ৰাইজে ক্যংফ্ৰালৈ পানী কঢ়িয়াই আনোতে পৰস্পৰে পৰস্পৰক পানী ছটিয়াই ৰং-ধেমালি কৰে। আনকি পিছলৈ বোকা পানীৰ লগতে বোকাও সনাসনি কৰে।

'ক্যংফ্ৰা'ত প্ৰতিষ্ঠা কৰা বুদ্ধ মূৰ্তিবোৰৰ লগতে ধৰ্ম ভিক্ষুজনকো গঞাই স্নান কৰায়। এনেকৈ বুদ্ধ সংঘ আৰু ধৰ্ম এই ত্ৰিৰত্নক স্নান কৰোৱাৰ অন্তত ৰাতি বিহাৰত চাকি-বাতি জ্বলাই ধৰ্মীয় বিষয় আলোচনা কৰে।

এইদৰে গোটেই নিশাটো ডেকা-গাভৰুসকলে বিহুনাম গাই মূৰ্তিবিলাক ৰখে আৰু আনন্দত তেওঁলোকে পৱিত্ৰ অন্তৰেৰে ভগৱান বুদ্ধৰ গুণ-গান গাই 'কা-আলং' আদি নৃত্য পৰিবেশন কৰে। (দুৱৰা, পৃষ্ঠা-১৩)

দ্বিতীয় দিনা পুৱা গাঁৱৰ ৰাইজে 'ক্যংফ্ৰা' ঘৰৰ সন্মুখত সমবেত হয় আৰু শাকান্ন, ফল-মূল আদি যাৱতীয় সামগ্ৰীৰে শৰাইভাগ সজাই 'তাংচম' (অন্নদান প্ৰাৰ্থনা) কৰি মানৱ জাতিৰ তথা জীৱ-জন্তুৰ কল্যাণৰ বাবে বুদ্ধৰ ওচৰত প্ৰাৰ্থনা জনায়। সেই সময়ৰ পৰা পুনৰ 'ছনফ্ৰা' আৰম্ভ হয়। সেইদিনা তেওঁলোকে প্ৰচলিত ৰীতি অনুযায়ী 'ছাই লিক' নামৰ বৌদ্ধস্তুতি লিখিত এডাল ৰছীক স্নান কৰোৱায়। 'ক্যংফ্ৰা'ত বুদ্ধমূৰ্তিবোৰ প্ৰায় ৫২ ঘণ্টা থকাৰ পিছত গাঁৱৰ ৰাইজে শেষবাৰৰ বাবে প্ৰাৰ্থনা কৰে আৰু ভিক্ষুৱে সমবেত ৰাইজক পঞ্চশীল নীতি গাই শুনায়। বুদ্ধৰ মূৰ্তিবোৰ 'ক্যংফ্ৰা'ত ৰখাৰ গোটেই সময়ছোৱাক বুদ্ধৰ ধৰাত অৱস্থান কৰা সময় বুলি তেওঁলোকে বিশ্বাস কৰে।

তিনিদিনৰ অন্তত 'চাক্ৰেট'ত উল্লিখিত সময়মতে বয়োজ্যেষ্ঠ পুৰুষসকলে মূৰ্তিসমূহ নিৰ্মল পানীৰে ধুই মচি বৌদ্ধ বিহাৰৰ বেদীত পুনৰ স্থাপন কৰি প্ৰাৰ্থনা জনায়। এই কাৰ্যক তেওঁলোকে 'ফ্ৰাখুন' বোলে। (বৰা, পৃষ্ঠা-৪২৩)

লগে লগে বিহাৰৰ ভিতৰখনত ৰাইজৰ গাত চন্দনৰ পানী ছটিয়াই পৱিত্ৰ কৰি মংগল আৰু সুখ-শান্তি কামনা কৰা হয়। তদুপৰি বুদ্ধক স্নান কৰোৱা পানী সংগ্ৰহ কৰি তাৰ সৈতে নানা দ্ৰব্য প্ৰস্তুত কৰা 'নাম নং চিকতা' নামৰ পানীয়বিধো ৰাইজে ঘৰ, ভঁৰাল, গোহালি আদিত ছটিয়ায়। গাঁওবাসীয়ে একেবাৰে শেষত প্ৰীতিভোজৰ আয়োজন কৰি ৰঙ-ৰহইচেৰে বিহু হুঁচৰিত অংশগ্ৰহণ কৰি, বয়োজ্যেষ্ঠ লোকসকলক সেৱা-সৎকাৰ কৰি, পিঠা-জলপান প্ৰস্তুত কৰি, লোকগীত-নৃত্যৰে 'পয়চাংকেন' উৎসৱটিৰ সামৰণি মাৰে।

টাই শাখাৰ আটাইকেইটা ফৈদে একে ৰীতি-নীতি পৰম্পৰাগত পদ্ধতিৰে বসন্ত উৎসৱ পালন কৰি আহিছে যদিও এওঁলোকৰ মাজত কিছুমান বেলেগ বেলেগ লোকাচাৰ প্ৰচলিত হৈ অহা দেখিবলৈ পোৱা যায়।

বছৰৰ প্ৰথম মাহটোক টাইফাকেসকলে তেওঁলোকৰ ভাষাত 'নৌন চেইং' বুলি কোৱাৰ লগতে 'চাংকেন'ৰ পহিলা দিনটোক 'পয় হপ' বুলি কয়। (গগৈ, পৃষ্ঠা-৪৫৪)

টাই জনগোষ্ঠীৰ এটা ঠাল খাময়াংসকলে উৎসৱৰ তৃতীয় দিনা ঘৰলৈ ঘূৰি গৈ ঘৰৰ 'ফিলাম' নামৰ মূল খুঁটাটোৰ কাষত প্ৰাৰ্থনা কৰাৰ লোকাচাৰ আছে।

ঠিক সেইদৰে বৌদ্ধধৰ্মীয় টুৰুংসকলে প্ৰত্যেকে নিজৰ ঘৰত ভগৱান বুদ্ধক উপাসনা কৰিব পৰাকৈ আগফালৰ বাৰান্দাৰ এটা চুকত 'খিংলিক্' নামৰ একোটা প্ৰাৰ্থনা ঘৰ সাজি লয়।

সাধাৰণতে আন টাই বৌদ্ধসকলৰ দৰেই খামটিসকলেও 'পয়চাংকেন' পালন কৰে যদিও ব্যৱহাৰ কৰা বস্তুবোৰৰ নামৰ ক্ষেত্ৰত তথা লোকাচাৰৰ ক্ষেত্ৰত কিছু পাৰ্থক্য দেখা যায়। টাই খামটিসকলে বুদ্ধৰ মূৰ্তিসমূহ উলিয়াই আনি প্ৰতিষ্ঠা কৰা অস্থায়ী বেদীখনক 'চংফ্ৰা' বুলি কয়। একেদৰে নাওসদৃশ নেওৰাখনক 'হাংলিং' আৰু ঘূৰণীয়া চকৰীটোক 'লৌংকৌং' বুলি কয়।

খামটি শিপিনীয়ে দেৱ-দেৱী, মঠ-মন্দিৰ, জীৱ-জন্তু, চৰাই-চিৰিকটি, প্ৰাকৃতিক দৃশ্য আদিৰ বিচিত্ৰ নক্সা তুলি সূতা বা বাঁহৰ কাঠী-কামীৰে 'ত্বান' নামৰ এখন পতাকা প্ৰস্তুত কৰি 'পয়চাংকেন' উৎসৱত ব্যৱহাৰ কৰে।

খামটিসকলৰ লোকবিশ্বাস আছে যে নতুন বছৰ সোমোৱাৰ লগে লগে অপায়-অমংগলৰ দেৱতা চাউ খোনকেউ হাতত অস্ত্ৰ-শস্ত্ৰ লৈ পৃথিৱীলৈ এটি দিশেৰে নামি আহে আৰু অন্য দিশেৰে গমন কৰে। এই অপদেৱতাৰ কোপদৃষ্টিৰ পৰা পৃথিৱীক ৰক্ষা কৰিব পাৰিব কেৱল ভগৱান বুদ্ধই। (কায়স্থ আৰু বৰুৱা, পৃষ্ঠা-১৫৫)

সেয়ে বৌদ্ধ পঞ্জিকা অনুসৰি উক্ত বছৰত চাউ খোনকেউ অৰ্থাৎ শনিদেৱতা যি দিশে আহিব সেই দিশলৈ মুখ কৰি বুদ্ধৰ মূৰ্তিসমূহ ৰখা হয়। তেওঁলোকে বসুন্ধৰা দেৱীৰ মূৰ্তিও চংফ্ৰাৰ বেদীত প্ৰতিষ্ঠা কৰি পূজা-অৰ্চনা কৰে।

তদুপৰি বৌদ্ধ বিহাৰৰ মূল থাপনাত থকা প্ৰধান মূৰ্তিটো, ধৰ্মগ্ৰন্থসমূহ বাহিৰলৈ উলিয়াই আনি স্নান কৰাব নোৱাৰে বাবে প্ৰতীকী অৰ্থত পানী ঢালি স্নান কৰোৱাৰ লোকাচাৰ খামটিসকলৰ মাজত দেখা যায়। এডাল নতুন ৰছী সেইবোৰ থোৱা ঠাইৰ সৈতে সংলগ্ন কৰি ৰছীডালৰ আনটো মূৰ বাহিৰৰ এটা বাঁহৰ খুঁটাত বান্ধি বাঁহডালৰ লগত নাহৰ ফুলৰ ডাল এটা বান্ধি দি বেদী বনাই তাত মানুহে পানী ঢালিলে শাস্ত্ৰসমূহ স্নান কৰোৱা হয় বুলি খামটিসকলে বিশ্বাস কৰে। (বৰা, পৃষ্ঠা-৩৯৪)

এই 'পয়চাংকেন' উৎসৱৰ ভিতৰতে খামটিসকলৰ মাজত আগেয়ে ভাওনা পতা হৈছিল যদিও

বৰ্তমান সময়ত ই নোহোৱা হ'ল।

মুঠৰ ওপৰত দুই এটা লোকাচাৰ-বিশ্বাসৰ বাহিৰে বাকী আটাইবোৰ ৰীতি-নীতিৰ ক্ষেত্ৰত টাই বৌদ্ধসকল সমপৰ্যায়ৰ। তেওঁলোকে মূৰ্তিসমূহৰ গাত লাগি পৰি অহা পানীক পবিত্ৰ জ্ঞান কৰি এই পানীয়ে বেমাৰ-আজাৰ নাশ কৰে বুলি বিশ্বাস কৰে। সেয়ে তেওঁলোকে লোটা বা ঘটিসমূহত আমগছৰ আগলি পাত আৰু দুবৰি বন ৰাখি বুদ্ধ মূৰ্তিবোৰৰ ওচৰত বহুৱাই থয় যাতে পৰিত্ৰ পানীখিনি গ্ৰহণ কৰিব পাৰে।

টাই বৌদ্ধসকলৰ মাজত লোকবিশ্বাস আছে যে 'চাংকেন উৎসৱৰ কেইদিন গছ-লতা ছিঙা, জীৱ হত্যা আদি কাৰ্যৰ পৰা বিৰত থাকিব লাগে। সেয়ে তেওঁলোকে উৎসৱ আৰম্ভ হোৱাৰ আগতে সকলো বস্তু গোটাই থয়।

চাংকেন উৎসৱ শেষ হোৱাৰ পাছত টাই বৌদ্ধধৰ্মী লোকসকলে নিৰ্দিষ্ট দিন এটা ঠিক কৰি ৰাজহুৱাকৈ 'মাংলামৌং' নামৰ এক অনুষ্ঠান অনুষ্ঠিত কৰে য'ত মাটিৰে কেইবাখলপীয়া দৌল এটা সাজি বৌদ্ধস্তুতিৰে বছৰটোৰ বাবে মংগল কামনা কৰা হয়।

**চিংফৌসকলৰ বসন্ত উৎসৱ**

চিংফৌসকলৰ জাতীয় উৎসৱ হৈছে 'শ্বপং য়ং মানাউ পয়'। ফ্ৰেব্ৰুৱাৰী মাহৰ ১৪ তাৰিখে পালন কৰা এই উৎসৱৰ উপৰি তেওঁলোকে বসন্তকালীন উৎসৱ 'পয় চাংকেন' পালন কৰে। চ'ত আৰু ব'হাগ মাহৰ সংক্ৰান্তিৰ দিনটোৰ পৰা তিনিদিন ধৰি এই উৎসৱ পালন কৰে। প্ৰথম দিনা বৌদ্ধ মূৰ্তিসমূহ বৌদ্ধ বিহাৰৰ পৰা উলিয়াই আনি অস্থায়ীভাৱে সজা পঁজা 'ক্যংফ্ৰা'ত প্ৰতিষ্ঠা কৰা হয়। তাৰপাছত টাই জনগোষ্ঠীসকলৰ দৰেই চকৰিসদৃশ চুঙাজাতীয় এবিধ সঁজুলি কমপানৰ গাত থকা সৰু সৰু ফুটাইদি ওলোৱা পানীৰে মূৰ্তিসমূহক স্নান কৰায়। এই উৎসৱত ডেকা-গাভৰু তথা চিংফৌ ৰাইজে ইজনে-সিজনৰ গালৈ পানী ছটিয়াই ৰং-ৰহইচ কৰে। এই অনুষ্ঠানত তেওঁলোকে চিং (এফলীয়া ঢোল), দবা, বাও (বৰ কাঁহ) আদি বাদ্যযন্ত্ৰ বজাই সমূহীয়াভাৱে পূজা-অৰ্চনা কৰি নৃত্য-গীত কৰে।

বুদ্ধমূৰ্তি ক্যংফ্ৰাত থকা সময়ছোৱাত চিংফৌ ৰাইজে পঞ্চশীল আৰু দশশীল  নীতি গ্ৰহণত অধিক গুৰুত্ব প্ৰদান কৰা দেখা যায়। তেওঁলোকে 'পয়চাংকেন' উৎসৱটিত অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত বৌদ্ধ পঞ্জিকা 'ছাক্ৰেট'ত উল্লিখিত নিৰ্দিষ্ট সময়, দিশ আদি মানি চলে। এই উৎসৱটি পালন কৰাৰ সময়ছোৱাত প্ৰাণী হত্যা, গছ-লতা ছিঙা, মাটি খন্দা আৰু ধন-সম্পত্তি লেন-দেন কৰা আদি নিষিদ্ধ কাৰ্যকলাপবোৰৰ ক্ষেত্ৰতো টাই বৌদ্ধধৰ্মী লোকসকলৰ সৈতে মিল আছে।

দিনটোৰ শেষৰ ভাগত বুদ্ধ মূৰ্তিবোৰৰ আগত বন্তি প্ৰজ্বলন কৰি সেৱা জনোৱা হয়। এইদৰে বাকী দুদিনো পূজা-অৰ্চনা কৰা হয় তথা ধৰ্মীয় গুৰুসকলে ৰাইজক ধৰ্মীয় উপদেশ প্ৰদান কৰে। এইদৰে তিনিদিন ধৰি এই কাৰ্য কৰাৰ পিছত মূৰ্তিসমূহ পুনৰ পঞ্জিকাত উল্লিখিত সময় অনুযায়ী পুনৰ বৌদ্ধ বিহাৰৰ বেদীত স্থাপন কৰা হয়। চিংফৌসকলে উৎসৱৰ তিনিদিন মাছ-মাংস নাখায় বৰঞ্চ নিৰামিষ খাদ্যৰ লগতে পিঠা-পনাৰ যোগাৰ কৰে। চিংফৌসকলৰ ডেকাসকলে 'পয়চাংকেন' উৎসৱত বৃত্তাকাৰে নৃত্যত অংশগ্ৰহণ কৰে। এইদৰে চিংফৌসকলে পালন কৰা 'পয়চাংকেন' উৎসৱৰ সৈতে অসমৰ আন আন বৌদ্ধ ধৰ্মাৱলম্বী লোক বিশেষকৈ টাই জনগোষ্ঠীৰ উৎসৱৰ বহুত পৰিমাণে সাদৃশ্য থকা দেখা যায়।

**দোৱনীয়াসকলৰ বসন্ত উৎসৱ**

অসমীয়া জাতিৰ বিভিন্ন সম্প্ৰদায়ৰ দ্বাৰা গঠিত 'দোৱনীয়া' সম্প্ৰদায়টোৱে চিংফৌ মিশ্ৰিত ভাষা কোৱাৰ লগতে চিংফৌসকলৰ দৰেই তেওঁলোকৰ ধৰ্মও বৌদ্ধ। দোৱনীয়াসকলৰ বৌদ্ধ বিহাৰত বৌদ্ধ আৰু ব্ৰহ্মদেশীয় প্ৰভাৱৰ মাত্ৰা অধিক। এই বৌদ্ধবিহাৰবোৰত ঘণ্টা আৰু ত্ৰিৰত্ন বন্দনাৰ ধ্বনি শুনিবলৈ পোৱা যায়।

বসন্তকালত দোৱনীয়াসকলে চিংফৌসকলৰ দৰেই 'পয়চাংকেন' উৎসৱ পালন কৰে। দুখীয়া আৰু সকলো ফালৰ পৰা পিছপৰা দোৱনীয়াসকলে 'পয়চাংকেন' উৎসৱৰ প্ৰথমদিনা বৌদ্ধ বিহাৰৰ বেদীৰ পৰা বুদ্ধমূৰ্তিসমূহ মাটিত উলিয়াই ধৰ্মীয় কৃত্য সম্পাদন কৰি চিংফৌসকলৰ দৰেই অস্থায়ী পঁজা 'ক্যংফ্ৰা'ত প্ৰতিষ্ঠা কৰে। তাৰপাছত সকলোৰে মিলি নেওৰাসদৃশ পাত্ৰত পানী ঢালি মূৰ্তিসমূহক স্নান কৰোৱা কাৰ্য প্ৰায় সকলো বৌদ্ধ ধৰ্মীয় সম্প্ৰদায়ৰ লগতে মিল আছে। প্ৰায় তিনিদিন ধৰি একে ৰীতি-নীতিৰে সম্পন্ন কৰা এই উৎসৱত দোৱনীয়া ডেকা-গাভৰুৱে নিজ বংশ পৰিয়ালৰ বাহিৰে বাকীসকলৰ সৈতে ইজনে সিজনৰ গাত পানী মাৰি খেলা কৰা কাৰ্যও আন বৌদ্ধ ধৰ্মীয় লোকৰ সৈতে একে। অৱশ্যে আজিকালি দোৱনীয়াসকলে বোকাৰ লগতে চৰুৰ ছায়ো সানে। (ভট্টাচাৰ্য্য, পৃষ্ঠা-৮৭)

দোৱনীয়াসকল যদিও বৌদ্ধ সম্প্ৰদায়ৰ লোক তেওঁলোকে অসমীয়াই পালন কৰা তিনিওটা বিহুৱে পালন কৰে আৰু ব'হাগ বিহুৰ সময়ত ভোজ-ভাত খাই, ঢোল-পেঁপা বজাই হুচৰি গাই আনন্দ কৰে।

অসমৰ সমাজ জীৱনত অতীজৰে পৰা অতি সংঘাতৰ মাজেৰে দোৱনীয়াসকলে জীৱন নিৰ্বাহ কৰি আহিছে যদিও বৰ্তমান সময়লৈকে তেওঁলোকে স্পষ্টৰূপত এটা পৰিচয় পাবলৈ সক্ষম হোৱা নাই। সেই গতিকে তেওঁলোকৰ সমাজ-জীৱন তথা সংস্কৃতিৰ বিষয়ে বৰ বিশেষ জনা নাযায়।

**মগ বড়ুৱাসকলৰ বসন্ত উৎসৱ**

উজনি অসমৰ বিভিন্ন ঠাইত বসবাস কৰা জনগোষ্ঠীসমূহৰ ভিতৰত বৌদ্ধ ধৰ্মাৱলম্বী মগ বড়ুৱাসকল অন্যতম। সাংস্কৃতিক দিশত যথেষ্ট চহকী এই সম্প্ৰদায়টো মূলতঃ থেৰাবাদী বৌদ্ধধৰ্মী লোক। ভাষাৰ ক্ষেত্ৰত দেখা যায় যে তেওঁলোক মূলতঃ দ্বি-ভাষী। ঘৰুৱা জীৱনত চট্টগ্ৰামৰ ভাষা আৰু ৰাজহুৱা জীৱনত অসমীয়া ভাষা ব্যৱহাৰ কৰে। (হাজৰিকা, পৃষ্ঠা-১৪৩)

মগ বড়ুৱাসকলৰ মাজত প্ৰচলিত বসন্তকালীন উৎসৱটি হৈছে চ'তৰ সংক্ৰান্তি বিহু। ব'হাগ মাহত বছৰক সাদৰি লোৱাৰ প্ৰস্তুতিয়ে হৈছে এই সম্প্ৰদায়ৰ চ'তৰ সংক্ৰান্তি বিহু বা পয়চাংকেন। এই সম্প্ৰদায়টোৱে আন বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ দৰেই বৌদ্ধ পঞ্জিকা অনুসৰি নিৰ্দিষ্ট সময়ত বিহাৰত থকা বুদ্ধ মূৰ্তিসমূহ বাহিৰলৈ উলিয়াই আনি স্নান কৰাই বাৰন্ন ঘণ্টা বাহিৰত ৰাখে। তদুপৰি বিহাৰত সংৰক্ষিত কৰি ৰখা ধৰ্মীয় পুথি-পাঁজিবোৰ চাফা কৰা কাৰ্যও এই উৎসৱৰে অংশ। সংক্ৰান্তি আৰম্ভ হোৱাৰ কিছুদিন আগৰ পৰাই গএগ্ৰা ৰাইজে বিহাৰ চাফা কৰি সুসজ্জিত কৰি তোলাৰ লগতে বিহাৰৰ চৌহদত অস্থায়ী পঁজা সাজি তোলে য'ত সংক্ৰান্তিৰ দিনা বিহাৰৰ পৰাা উলিয়াই অনা বুদ্ধ মূৰ্তিবোৰ প্ৰতিষ্ঠা কৰা হয়। এইক্ষেত্ৰত মূৰ্তিবোৰ স্থানান্তৰিত কৰোঁতে ক্ষমা খুজি ভগৱানক প্ৰাৰ্থনা কৰি লোৱা দেখা যায়। প্ৰথমে প্ৰধান ভিক্ষুজনে গাখীৰ আৰু সুগন্ধি মিহলোৱা পানীৰে মূৰ্তিবোৰ স্নান কৰোৱাই উৎসৱৰ আৰম্ভণি কৰে। মূৰ্তিবোৰৰ পৰা ছিটিকি পৰা পানীবোৰ ধৰি ৰাখিবলৈ ৰাইজে খালী পাত্ৰসমূহ মূৰ্তিৰ কাষতে ধৰি ৰাখি থয়। তেওঁলোকে এই পানীক অতি পৱিত্ৰৰূপে গণ্য কৰি মহৌষধি হিচাপে সংৰক্ষণ কৰে। এই পানীকে ইজনে সিজনলৈ ছটিয়াই নতুন বছৰটোক আদৰণি জনায়।

এই সম্প্ৰদায়ৰ ৰাইজে ভিক্ষুৰ পৰা পঞ্চশীল তথা অষ্টশীল নীতি গ্ৰহণ কৰা কাৰ্যও উৎসৱৰে এক অংশ। এই উৎসৱত নিশা নাচ-গান তথা নাটক আদি অনুষ্ঠান আৰু পূৰ্বপুৰুষৰ বাবে স্মৃতি-তৰ্পণ, এশ এবিধ শাকখোৱা, এশ এগছ বন্তি জ্বলোৱা তথা এশ এপাহ ফুলৰ মালাৰে বন্দনা কৰা আৰু এশ এবিধ বস্তু দান কৰাৰ পৰম্পৰা আছে। ব'হাগ বিহুৰ সৈতে সাদৃশ্য থকা এই দিশকেইটাৰ উপৰি তেওঁলোকে অপায়-অমংগল, ৰোগ-ব্যাধি আদিৰ পৰা ৰক্ষা পাবলৈ চোতাল-পদুলি, গোঁহালি আদিত সন্ধিয়া সময়ত জাগ দিয়া কাৰ্যৰ মিল দেখা যায়। ক'ব পাৰি যে অসমৰ মগ বড়ুৱা বৌদ্ধ

ধৰ্মাৱলম্বী সম্প্ৰদায়ে বৌদ্ধধৰ্মৰ নীতি-আদৰ্শ তথা দৰ্শন প্ৰতিফলিত আৰু স্বকীয় বিশেষত্বমূলক উৎসৱ-অনুষ্ঠান পালন কৰাটো অতিকৈ আদৰণীয়।

**চাক্‌মাসকলৰ বসন্ত উৎসৱ**

বৌদ্ধধৰ্মী চাক্‌মাসকলে বসন্তকালত 'বিজু' বা 'বিঝু' নামৰ উৎসৱ পালন কৰে। এই উৎসৱটি মূলতঃ কৃষিভিত্তিক। চ'ত মাহৰ সংক্ৰান্তিৰ পৰা এই উৎসৱৰ আৰম্ভ হয় আৰু তিনিদিনৰ পৰা প্ৰায় পোন্ধৰ দিন পৰ্যন্ত চলি থাকে।

এই উৎসৱৰ প্ৰথম দিনটো 'ফুল বিঝু' নামেৰে জনা যায়। এইটো দিনত পুৱা ফুলৰ মালা গাঁঠি পুৱাৰ ভাগত প্ৰিয়জনক বা মান্যজনক সন্মান জনাই উপহাৰ দিয়াৰ ৰীতিৰ প্ৰচলন আছে। এই উৎসৱৰ সময়ত গাঁওৱ ৰাইজে তেওঁলোকৰ ঘৰবোৰ ভিন্নৰঙী ফুলেৰে সজাই তোলে। ঘৰ চাফা কৰাৰ লগতে কাপোৰ-কানি ধুই, নানা তৰহৰ খাদ্য প্ৰস্তুত কৰা হয়।

উৎসৱৰ দ্বিতীয় দিনচোক 'মূল বিঝু' বুলি কোৱা হয়। এই দিনটোৰ আৰম্ভণি নদীত গা ধোৱাৰ পৰা হয়। গাঁৱৰ সকলো লোকে নতুন কাপোৰ পিন্ধি সকলোৰে গাঁৱত ফুৰিবলৈ যায়। মহিলাসকলে 'ফিনন' আৰু 'হাদি' পৰিধান কৰাৰ বিপৰীতে পুৰুষসকলে 'ছিলাম' আৰু 'ধোড়ী' পৰিধান কৰে। তেওঁলোকে সেইদিনটোত 'পাজন টন' নামেৰে এক শাক-পাচলিৰ জোল ৰান্ধি খোৱাৰ পৰম্পৰা আছে। ইয়াৰ লগতে ঘৰুৱাভাৱে প্ৰস্তুত কৰা বিভিন্ন মিঠায়ো গ্ৰহণ কৰে। (Wikipedia)

কৃষিভিত্তিক এই উৎসৱত ডেকা-গাভৰুসকলে পৰম্পৰাগত বিভিন্ন খেল-ধেমালিবোৰত অংশগ্ৰহণ কৰে আৰু লগতে দিনটোৰ সামৰণি মাৰে।

উৎসৱৰ শেষৰ দিনটোক তেওঁলোকে 'গজ্জ্যাপজ্জ্যা বিঝু' হিচাপে নামকৰণ কৰিছে। এই দিনটোত তেওঁলোকে বিভিন্ন ধৰ্মীয়-সামাজিক ক্ৰিয়াকলাপৰ প্ৰদৰ্শন জড়িত কৰে। গতিকে ক'ব পাৰি যে বিঝু হৈছে কৃষিভিত্তিক এক উৎসৱ। বিঝু উৎসৱ চাক্‌মাসকলে এপ্ৰিল মাহৰ মাজভাগৰ পৰা শস্যৰ উৎপাদন বৃদ্ধিৰ কামনা কৰি পালন কৰে।

**টাংছাসকলৰ বসন্ত উৎসৱ**

টাংছাসকলৰ মাজত টিখাক আৰু য়ঙকুক নামৰ ফৈদ দুটা মূলতঃ বৌদ্ধ ধৰ্মৰ। এই বৌদ্ধধৰ্মীয় টাংছাসকলে বসন্তকালীন উৎসৱ হিচাপে 'পয় চাংকেন' উৎসৱ পালন কৰে। আন আন বৌদ্ধ ধৰ্মৰ জনগোষ্ঠীয়ে পালন কৰাৰ দৰেই টাংছাসকলেও বৌদ্ধ বিহাৰৰ পৰা বুদ্ধৰ মূৰ্তিসমূহ উলিয়াই আনি অস্থায়ীভাৱে সজা 'ক্যংফ্ৰা'ত প্ৰতিষ্ঠা কৰে আৰু কোঙপানৰ জৰিয়তে পৰিস্কাৰ আৰু সুগন্ধিপানী ছটিয়াই স্নান কৰোৱাই। এই পানীবোৰ ভক্তসকলে পবিত্ৰ পানী হিচাপে গ্ৰহণ কৰে। টাংছাসকলৰ মাজতো তিনিদিন ধৰি উদ্‌যাপন হোৱা এই 'পয় চাংকেন' উৎসৱত প্ৰথম, দ্বিতীয় আৰু তৃতীয় দিনা কৰা আটাইবোৰ ধৰ্মীয় কাম-কাজ কৰা হয়। বোধিবৃক্ষ, পবিত্ৰ গ্ৰন্থৰ শৈলিক ৰজ্জু আদি পবিত্ৰ উপকৰণসমূহত চন্দন তথা সুগন্ধি দ্ৰব্য মিহলি পানী ছটিয়াই বছৰজুৰি শান্তিৰে থাকিবলৈ প্ৰাৰ্থনা জনোৱা হয় আৰু উৎসৱৰ অন্তিমদিনা এক নিৰ্দিষ্ট সময়ত বুদ্ধৰ মূৰ্তিসমূহ আগৰ স্থানলৈ ঘূৰাই নিয়া হয়।

যিহেতু অসমত অতি কম সংখ্যকহে বৌদ্ধধৰ্মীয় টাংছা লোক বাস কৰি আছে সেই গতিকে এওঁলোকৰ ধৰ্মীয় ৰীতি-নীতি তথা লোকাচাৰৰ বিষয়ে সম্পূৰ্ণ স্পষ্ট তথ্য পোৱা নাযায়। তদুপৰি অসমত বাস কৰা এই জনগোষ্ঠীৰ বৌদ্ধধৰ্মীয় সম্প্ৰদায়কেইটিৰ বিষয়ে অতি কমসংখ্যক লোকহে জ্ঞাত।

অসমত বাস কৰা বৌদ্ধধৰ্মীয় জনগোষ্ঠীসমূহে নিজা ধৰ্ম-লোকাচাৰৰ ভিত্তিত বৰ্তমানলৈকে বিভিন্ন উৎসৱ-অনুষ্ঠান পালন কৰি আহিছে। এইক্ষেত্ৰত বসন্তকালীন উৎসৱ অন্যতম। অৱশ্যে বৌদ্ধধৰ্মৰ ৰীতি-নীতিৰে নতুন বছৰক আদৰিবলৈ পালন কৰা এই উৎসৱসমূহৰ মাজত কিছু পৰিমাণে হিন্দু ধৰ্মৰ প্ৰভাৱো পৰিলক্ষিত হয়। এইক্ষেত্ৰত এটা কথা মানি ল'বই লাগিব

যে উজনি অসমৰ কিছুমান সৰু সৰু অঞ্চলত বাস কৰা অতি কম জনসংখ্যাৰ এই বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলৰ সমাজ-ব্যৱস্থা তথা জীৱনধাৰাত সংখ্যাগৰিষ্ঠ হিন্দু ধৰ্মৰ লগতে খ্ৰীষ্টান ধৰ্মৰ নানা প্ৰভাৱ পৰে যদিও তেওঁলোকে নিজৰ সংস্কৃতি আজিও বৰ্তাই ৰাখিছে। বৃহত্তৰ অসম ৰাজ্যত অতি কম সংখ্যক জনসংখ্যাৰে নিজৰ স্বকীয়তা বজাই ৰখা বৌদ্ধ ধৰ্মাৱলম্বী এই আটাইকেইটা সম্প্ৰদায়ৰ বিষয়ে এতিয়ালৈ নামমাত্ৰহে মাথোন জানিব পৰা গৈছে। সেয়ে ভৱিষ্যতে এই বিষয়ত যথেষ্ট গৱেষণা কৰাৰ থল আছে বুলি ক'ব পাৰি।

**প্ৰসঙ্গসূচী ঃ**


১। গগৈ, লীলা, *অসমৰ সংস্কৃতি,* বনলতা, ডিব্ৰুগড়-১, পঞ্চম সংস্কৰণ, ১৯৯৪, পৃ. ১৯১

২। প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৯২

৩। বুঢ়াগোঁহাই, গীতালী, 'টাই খাময়াং জনগোষ্ঠীৰ সামাজিক জীৱন এক চমু আলোচনা', হাজৰিকা, জ্যোতিৰেখা (সম্পা), *অসম সাহিত্য সভা পত্ৰিকা,* ষট্‌ষষ্ঠিতম বৰ্ষ, চতুৰ্থ সংখ্যা, মাৰ্চ-এপ্ৰিল-মে', ২০১২ খ্ৰীষ্টাব্দ, পৃ. ১৩৫।

৪। ৰাজকুমাৰ, সৰ্বানন্দ, 'নৰা-তুৰুং-আইতনীয়া', ভট্টাচাৰ্য্য, প্ৰমোদচন্দ্ৰ (সম্পা), *অসমৰ জনজাতি,* অসম সাহিত্য সভা, তৃতীয় সংস্কৰণ, অক্টোবৰ, ২০১৮, পৃ. ১৮৫।

৫। ৰাজকুমাৰ, সৰ্বানন্দ, 'দোৱনীয়া', ভট্টাচাৰ্য্য, প্ৰমোদচন্দ্ৰ (সম্পা), *অসমৰ জনজাতি,* অসম সাহিত্য সভা, তৃতীয় সংস্কৰণ, অক্টোবৰ, ২০১৮, পৃ. ৮৬।

৬। সন্দিকৈ, স্মৃতিৰেখা চেতিয়া, 'উজনি অসমৰ বৌদ্ধ ধৰ্মাৱলম্বী মগবড়ুৱা সম্প্ৰদায়ৰ উৎসৱ-অনুষ্ঠান, হাজৰিকা, জ্যোতিৰেখা (সম্পা), *অসম সাহিত্য সভা পত্ৰিকা,* ষট্‌ষষ্ঠিতম বৰ্ষ, চতুৰ্থ সংখ্যা, মাৰ্চ-এপ্ৰিল-মে', ২০১২ খ্ৰীষ্টাব্দ, পৃ. ১৪৩।

৭। বৰা, হীমাৰাণী, 'টুৰুং জনগোষ্ঠীৰ লোকসংস্কৃতি', বৰা, দেৱজিৎ (সম্পা), *উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় লোক-সংস্কৃতি',* এম. আৰ. পাব্লিকেশ্যন, পাণবজাৰ, গুৱাহাটী-১, চতুৰ্থ প্ৰকাশ, ছেপ্তেম্বৰ, ২০১৮, পৃ. ২৮৯।

৮। গগৈ, লীলা, *টাই সংস্কৃতিৰ ৰূপৰেখা,* বনলতা, ডিব্ৰুগড়-১, চতুৰ্থ সংস্কৰণ, ১৯৯৪, পৃ. ৭।

৯। চেতিয়া, চন্দ্ৰকমল, 'টাই খাময়াংসকলৰ লোক-সংস্কৃতি', বৰা, দেৱজিৎ (সম্পা), *উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় লোক-সংস্কৃতি,* এম. আৰ. পাব্লিকেশ্যন, পাণবজাৰ, গুৱাহাটী-১, চতুৰ্থ প্ৰকাশ, ছেপ্তেম্বৰ, ২০১৮, পৃ. ৪৪৯।

১০। দুৱৰা, ধৰ্মেশ্বৰ, *অসমৰ জনজাতিসকলৰ উৎসৱ-অনুষ্ঠান,* বাণী মন্দিৰ, গুৱাহাটী-৩, প্ৰথম প্ৰকাশ, মাৰ্চ, ২০০৬, পৃ. ১৩।

১১। চেতিয়া, চন্দ্ৰকমল, 'টাই ফাকেসকলৰ লোক-সংস্কৃতি', বৰা, দেৱজিৎ (সম্পা), *উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় লোক-সংস্কৃতি,* এম. আৰ. পাব্লিকেশ্যন, পাণবজাৰ, গুৱাহাটী-১, চতুৰ্থ প্ৰকাশ, ছেপ্তেম্বৰ, ২০১৮, পৃ. ৪২৩।

১২। গগৈ, লোকেশ্বৰ, *অসমৰ লোক-সংস্কৃতি,* তৃতীয় খণ্ড, ক্ৰান্তিকাল প্ৰকাশন, এম. জি. ৰোড, নগাঁও, দ্বিতীয় সংস্কৰণ, ২০১৬, পৃ. ৪৫৪।

১৩। মানচে, চন্দ্ৰ, 'তাই-খামতিসকলৰ বসন্ত উৎসৱ ঃ পয়চাংকেন', কায়স্থ, পুতলী, বৰুৱা, উৎপলা (সম্পা), *অসমৰ বিভিন্ন জনগোষ্ঠীৰ বসন্ত উৎসৱ,* বীণা লাইব্ৰেৰী, গুৱাহাটী, প্ৰথম প্ৰকাশ, ছেপ্তেম্বৰ, ২০১৪, পৃ. ১৫৬।

১৪। শইকীয়া, প্ৰবীণা, 'খামতি জনগোষ্ঠীৰ লোক-সংস্কৃতি', বৰা, দেৱজিৎ (সম্পা), *উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় লোক-সংস্কৃতি,* এম. আৰ. পাব্লিকেশ্যন, পাণবজাৰ, গুৱাহাটী-১, চতুৰ্থ প্ৰকাশ, ছেপ্তেম্বৰ, ২০১৮, পৃ. ৩৯৪।

১৫। ৰাজকুমাৰ, সৰ্বানন্দ, 'দোৱনীয়া', ভট্টাচাৰ্য্য, প্ৰমোদচন্দ্ৰ (সম্পা), *অসমৰ জনজাতি,* অসম সাহিত্য সভা, তৃতীয় প্ৰকাশ, অক্টোবৰ, ২০১৮, পৃ. ৮৭।

১৬। সন্দিকৈ, স্মৃতিৰেখা চেতিয়া, 'উজনি অসমৰ বৌদ্ধ ধৰ্মাৱলম্বী মগ বড়ুৱা সম্প্ৰদায়ৰ উৎসৱ-অনুষ্ঠান, হাজৰিকা, জ্যোতিৰেখা (সম্পা), *অসম সাহিত্য সভা পত্ৰিকা,* ষট্‌ষষ্ঠিতম বৰ্ষ, চতুৰ্থ সংখ্যা, মাৰ্চ-এপ্ৰিল-মে', ২০১২ খ্ৰীষ্টাব্দ, পৃ. ১৪৩।

১৭। Chakma People, http://en.m.wikipedia.org/wiki/chakma-people.